**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 05-10-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি মহাৰাষ্ট্ৰত প্ৰধানমন্ত্ৰী কিষাণ নিধিৰ অধীনত অষ্টাদশ কিস্তিৰ পুঁজি আনুষ্ঠানিকভাৱে মুকলি কৰে। উল্লেখযোগ্য যে এই আঁচনিৰ জৰিয়তে সমগ্ৰ দেশৰ ৯ কোটি ৪০ লাখতকৈও অধিকসংখ্যক কৃষক প্ৰত্যক্ষ বিত্তীয় সুযোগৰ জৰিয়তে উপকৃত হ'ব। এই আঁচনিৰ অধীনত ২০ হাজাৰ কোটি টকাতকৈও অধিক ধন মুকলি কৰা হৈছে। অসমৰ ১৮ লাখ ৮০ হাজাৰ কৃষকেও এই আঁচনিৰ জৰিয়তে ধন লাভ কৰিছে বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে। তেওঁ কয় যে এই কৃষকসকলৰ একাউণ্টত ৪০৩ কোটি টকা পোনপটীয়াকৈ হস্তান্তৰ কৰা হৈছে। এই নিধিৰ জৰিয়তে কৃষকসকলে কঠোৰ পৰিশ্ৰমৰ মূল্য লাভ কৰাৰ উপৰি তেওঁলোকৰ আত্মবিশ্বাসৰ ভাবো জাগ্ৰত হ'ব বুলি মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

0000000

প্ৰশাসনীয় ব্যৱস্থা নিয়াৰিকৈ পৰিচালনাৰ লক্ষ্যৰে ৰাজ্য চৰকাৰে আৰম্ভ কৰা সমজিলা ব্যৱস্থাৰ সূচনা কাৰ্যসূচীৰ প্ৰথম পৰ্যায়ৰ আজি দ্বিতীয় দিনা ১৮ খন সম-জিলাৰ কাৰ্যালয় মুকলি কৰা হয়। আজি জালুকবাৰী, নতুন গুৱাহাটী, দিছপুৰ, ডিমৰীয়া, অভয়াপুৰী, ৰহা, লামডিং, লাহৰিঘাট, জাগীৰোড, ঢেকীয়াজুলী, ডুমডুমা, নাহৰকটীয়া, দুলিয়াজান, তিখং, নাজিৰা, ডিমৌ, মাহমৰা আৰু লক্ষিপুৰত সমজিলাৰ কাৰ্যালয় মুকলি কৰা হয়। জালুকবাৰী, নিউ-গুৱাহাটী সমজিলাখন আজি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই উদ্বোধন কৰাৰ বিপৰীতে কামৰূপ মহানগৰ জিলাত গঠন হ'বলগীয়া আন দুখন সমজিলা দিছপুৰ আৰু ডিমৰীয়া মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী আৰু অতুল বৰাই উদ্বোধন কৰে। আনহাতে বঙাইগাঁও জিলাৰ অভয়াপুৰী সমজিলাখন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে, নগাঁও জিলাৰ ৰহা সমজিলাখন মন্ত্ৰী অজন্তা নেওগে, লামডিং সমজিলা মন্ত্ৰী নন্দিতা গাৰ্লোচা, মৰিগাঁও-লাহৰিঘাট সমজিলা মন্ত্ৰী কেশৱ মহন্তই, জাগীৰোড সমজিলা মন্ত্ৰী পীযুষ হাজৰিকাই উদ্বোধন কৰে। একেদৰে ঢেকীয়াজুলী সমজিলাখন মন্ত্ৰী অশোক সিংহলে, ডুমডুমা সমজিলাখন সঞ্জয় কিষানে, নাহৰকটীয়া, মাহমৰা সমজিলা যোগেন মহনে, দুলীয়াজান, তিখং, নাজিৰা সমজিলা মন্ত্ৰী বিমল বৰাই, নাজিৰা সমজিলা মন্ত্ৰী ৰণোজ পেগুৱে আৰু লক্ষীপুৰ সমজিলাখন মন্ত্ৰী জয়ন্ত মল্লবৰুৱাই উদ্বোধন কৰে।

এই প্ৰশাসনিক সংস্কাৰমূলক ব্যৱস্থাৰ দ্বাৰা এতিয়াৰে পৰা সাধাৰণ নাগৰিকে ভূমি ৰাজহ দপ্তাধীকাৰ, উন্নয়ন জনকল্যাণমূলক আঁচনি ৰূপায়ণ, খাদ্য আৰু অসামৰিক যোগান, আবকাৰী আদি বিভিন্ন জিলা পৰ্যায়ৰ সেৱাসমূহ সমজিলাৰ কাৰ্যালয়তে লাভ কৰিব। উল্লেখযোগ্য যে, মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সমজিলা মুকলি সন্দৰ্ভত ৰাজ্যত মহকুমা ব্যৱস্থাটোৰ বিলুপ্তি ঘটোৱা হৈছে বুলি ইতিমধ্যে সামাজিক মাধ্যমযোগে অৱগত কৰিছিল।

0000000

গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ স্নায়ুৰোগ বিভাগৰ উদ্যোগত কামৰূপ মহানগৰ জিলাৰ চৰকাৰী বিদ্যালয়সমূহত অধ্যয়নৰত মৃগী ৰোগত আক্ৰান্ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এটা টেলি হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে। কামৰূপ মহানগৰ জিলা আয়ুক্তই কালি গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ৰ হৃদয়, বক্ষ আৰু স্নায়ু বিজ্ঞান কেন্দ্ৰত আয়োজিত এটা অনুষ্ঠানত এই হেল্পলাইন নম্বৰ মুকলি কৰে। ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদৰ অধীনত চলি থকা টেলি ই এছ এছ আই প্ৰকল্পৰ অংশ হিচাপে এই হেল্পলাইন নম্বৰ মুকলি কৰা হৈছে। 70990-48381 নম্বৰলৈ ফোন কৰিলে মৃগী ৰোগত আক্ৰান্ত ছাত্ৰ-ছাত্ৰী তথা অভিভাৱকে তাৎক্ষণিকভাৱে চিকিৎসা ক্ষেত্ৰত সহায় তথা পৰামৰ্শ লাভ কৰিব। তদুপৰি, তেওঁলোকলৈ চিকিৎসা সেৱাও আগবঢ়োৱা হ'ব।

0000000

চিৰাং জিলাৰ সদৰ কাজলগাঁৱৰ আৰনাই উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ প্ৰেক্ষাগৃহত মহিলা আৰু শিশু কল্যাণ বিভাগৰ উদ্যোগত আন্তঃৰাষ্ট্ৰীয় শিশু কন্যা সপ্তাহৰ আয়োজন কৰা হয়। অনুষ্ঠানত বেটি বচাও বেটি পঢ়াও শীৰ্ষ কাৰ্যসূচীৰ লগত সংগতি ৰাখি জিলা আয়ুক্তই পিতৃ-মাতৃ-সকলক সন্তানৰ লালন-পালন আৰু শিক্ষা-দীক্ষাৰ ক্ষেত্ৰত লিংগ বৈষম্য নাৰাখিবলৈ আহ্বান জনায়। কাৰ্যসূচীৰ অংশ হিচাপে বিধায়ক অজয় কুমাৰ ৰায় আৰু চিৰাং জিলাৰ মহিলা তথা শিশু কল্যাণ বিষয়াগৰাকীয়ে বিভিন্ন স্বেচ্ছাসেৱী সংগঠনৰ প্ৰতিনিধিসকলক উদ্দেশ্যি কন্যা সন্তানৰ কাৰণে ভাৰত চৰকাৰে গ্ৰহণ কৰা কাৰ্যসূচীসমূহৰ বিষয়ে বক্তব্য প্ৰদান কৰে।

0000000

বিগত কিছুদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ ফলত মেঘালয়ৰ পৰা নামি অহা ঢলে দক্ষিণ শালমাৰা মানকাচৰ জিলাৰ বিভিন্ন অঞ্চলত বানৰ সৃষ্টি কৰিছে। জিলাখনৰ ৭ খনকৈ গাঁও পঞ্চায়ত এলেকাৰ অৰ্ধ শতাধিক গাঁও প্লাৱিত হৈছে। গাৰোপাহাৰৰ পৰা নামি অহা পানীৰ ঢলে কালাপানী-দিয়াৰা সংযোগী পথটো ছিঙি পেলাইছে। ইয়াৰ ফলত দুয়োপাৰৰ জনসাধাৰণৰ মাজত যোগাযোগ বিচ্ছিন্ন হৈছে। ইফালে, অঞ্চলটোৰ দুখন হাইস্কুল বানত বুৰ যোৱাৰ ফলত পৰীক্ষাৰ্থীসকল সমস্যাৰ সন্মুখীন হৈছে।

ধাৰাসাৰ বৰষুণৰ ফলত ধুবুৰী জিলাৰ বান পৰিস্থিতি জটিল হৈছে জিলাখনৰ সকলো নৈ-উপনৈৰ পানী বাঢ়ি অহাৰ বাবে বিলাসীপাৰা, চাপৰ, সাপটগ্ৰাম, বগৰিবাৰী আদি অঞ্চলৰ বান পৰিস্থিতি উদ্বেগজনক হৈছে। তদুপৰি গৌৰাং নৈৰ খহনীয়াই বিলাসীপাৰাৰ বিভিন্ন অঞ্চলৰ ক্ষতি কৰিছে।

0000000

**সমাপ্ত**